# অসম আদিত্য

১৪ কাতি, ১৯৪৫ শক ■ বুধবাৰ, ১ নৱেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Wednesday, November 1, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


## আজি কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**অংশ ল'ব কেন্দ্ৰীয় ৰাজ্যিক শিক্ষামন্ত্ৰী ড° ৰাজকুমাৰ ৰঞ্জন সিঙে**

**ডিব্ৰুগড়, ৩১ অক্টোবৰ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, এনএলবি চিটি মহাবিদ্যালয়, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডল আৰু বিদ্যাভাৰতী উচ্চশিক্ষা সংস্থানৰ উদ্যোগত ১ নৱেম্বৰৰ বিয়লি ২.৩০ বজাত মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হ'ব। 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা' শীৰ্ষক বিষয়ৰ সন্দৰ্ভত অনুষ্ঠিত হ'বলগীয়া বক্তৃতানুষ্ঠানটোত সমলব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰিব কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ ৰাজকুমাৰ ৰঞ্জন সিঙে। ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰিবলগীয়া অনুষ্ঠানটোত বিশেষভাৱে উপস্থিত থাকিব মন্ত্ৰীগৰাকীৰ সহধৰ্মিণী দেৱালা দেৱী চুংখাম, গোৱাৰ মুখ্যমন্ত্ৰীৰ অতিৰিক্ত ব্যক্তিগত সচিব আশুতোষ মিশ্ৰ তথা কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ ৰাজকুমাৰ ৰঞ্জন সিঙৰ অতিৰিক্ত ব্যক্তিগত সচিব চেৰাম তন্বী মেইটেই। ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া বক্তৃতানুষ্ঠানটোত বিদ্যাভাৰতী উচ্চশিক্ষা সংস্থানৰ ৰাজ্যিক সভাপতি ড০ দেৱহৰি তালুকদাৰে তেখেতৰ চমু বক্তব্য প্ৰদান কৰিব। কানৈ মহবিদ্যালয়ৰ অধ্যাপিকা ড০ চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হ'বলগীয়া অনুষ্ঠানটোত ডিএইচএছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, এনএলবি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সঞ্জীৱানন্দ বৰগোহাঁই, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডলৰ সভাপতি নিৰঞ্জন বৰাকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।